# পাঠ :১৩

# হনুমন্তৰ লংকা দৰ্শন - মাধৱ কন্দলী

---

১/ অতি চমু প্ৰশ্ন উত্তৰঃ

(ক) মাধৱ কন্দলী কোন আছিল?

উত্তৰঃ মাধৱ কন্দলী ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰা লংকাৰ পূৰ্ব শ্ৰেষ্ট কবি আছিল ।

(খ) মাধৱ কন্দলীয়ে কোনখন মহাকাব্য অনুবাদ কৰিছিল?

উত্তৰঃ মাধৱ কন্দলীয়ে ৰামায়ণ মহাকাব্য অনুবাদ কৰিছিল ।

(গ) মাধৱ কন্দলীৰ ৰামায়ণত বৰ্তমানে সন্নিবিষ্ট কোনটো কাণ্ড শঙ্কৰদেৱে ৰচনা কৰে?

উত্তৰঃ মাধৱ কন্দলীৰ ৰামায়ণত বৰ্তমানে সন্নিবিষ্ট উত্তৰাকাণ্ড শঙ্কৰদেৱে ৰচনা কৰে ।

(ঘ) মাধৱ কন্দলীৰ ৰামায়ণত কেইটা কাণ্ড পোৱা যায়?

উত্তৰঃ মাধৱ কন্দলীৰ ৰামায়ণত পাঁচটা (৫) কাণ্ড পোৱা যায় ।

(ঙ) 'হনুমন্তৰ লংকা দৰ্শন' - কাব্যাংশ কোনটো কাণ্ডৰ পৰা লোৱা হৈছে?

উত্তৰঃ হনুমন্তৰ লংকা দৰ্শন' - কাব্যাংশ সুন্দৰা কাণ্ডৰ পৰা লোৱা হৈছে ।

(চ) কাশ্যপ নন্দন কোন ?

উত্তৰঃ কাশ্যপ নন্দন হ'ল- সূৰ্য্য ।

(ছ) 'দুতী অম্ৰাৱতী' - বুলি কিহৰ কথা কৈছে?

উত্তৰঃ 'দুতী অম্ৰাৱতী' - বুলি লংকাপুৰীৰ কথা কৈছে ।

(জ) সীতা উদ্ধাৰৰ বাবে ৰামচন্দ্ৰক কোন ৰজাই সহায় কৰিছিল?

উত্তৰঃ সীতা উদ্ধাৰৰ বাবে ৰামচন্দ্ৰক কিষ্কিন্ধ্যাৰ বানৰ ৰজা সুগ্ৰীবে সহায় কৰিছিল ।

২/ চমু প্ৰশ্ন উত্তৰঃ

(ক) মাধৱ কন্দলীৰ বাহিৰে শংকৰ পূৰ্ব যুগৰ কবি কেইজনৰ নাম লিখা ।
উত্তৰঃ মাধৱ কন্দলীৰ বাহিৰে শংকৰ পূৰ্ব যুগৰ কবি কেইজনৰ নাম হ'ল- হেম স্বৰাসতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আৰু ৰুদ্ৰ কন্দলী ।

(খ) মাধৱ কন্দলীয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?তেওঁ ক'ৰ ৰজা আছিল ?

উত্তৰঃ মাধৱ কন্দলীয়ে বৰাহী  ৰজা মহামাণিক্যৰ  পৃষ্ঠপোষকতা লাভ কৰিছিল?তেওঁ পুৰণি অসমৰ পূৱ মধ্যাঞ্চলৰ  কোনো অঞ্চলৰ ৰজা আছিল ।

(গ) লংকা-নগৰীৰৰ কাষৰ বন-বননিত হনুমন্তই কি কি ফল- ফুলৰ গছ দেখিবলৈ পাইছিল?

উত্তৰঃ লংকা-নগৰীৰৰ কাষৰ বন-বননিত হনুমন্তই দেখিবলৈ পোৱা ফল গছবোৰ হ'ল- খাজুৰি,ঔ টেঙা, বেল,বগৰী,নাৰঙ্গ,তমাল বীজপুৰ, তেঁতেলী,আম, জামু, শিলিখা, হাৰিঠা,আমলখি, ডহাফল,তামোল,নাৰিকল, সলংগা,মধুৰী,কমলা টেঙা, কৰদৈ,আমৰা, ।

আৰু ফুলৰ গছবোৰ হ'ল- কদম,গুলচ,পাৰিজাত,সেউতি,মালতী,গুটিমালি,
ছুটিয়না পদুম ।

৩/ হনুমন্তই কি ৰূপ ধৰি লংকা নগৰিত প্ৰৱেশ কৰিছিল? তেওঁ সেই ৰূপ ধৰাৰ কাৰণ কি আছিল?

উত্তৰঃ হনুমন্তই বিৰাল অৰ্থাৎ মেকুৰীৰ ৰূপ ধৰি লংকা লগৰিত প্ৰৱেশ কৰিছিল । হনুমন্তই নিজ ৰূপ ধৰি লংকাত প্ৰৱেশ কৰিলে ৰাক্ষসে বান্ধি ঘৰে ঘৰে ফুৰাব বুলি ভাবি তেওঁ সেই ৰূপ ধৰিছিল ।

৪/ উত্তৰ দিয়া:

(ক) হনুমন্তই গধূলি সময়ত দেখা লংকা নগৰীৰ এটি বৰ্ণনা দিয়া ।

উত্তৰঃ গধূলি বেলা লংকাৰ শ্ৰী দেখি হনুমান অভিভূত হ'ল । এনে লাগিল যেন পৃথিৱীত থকা দ্বিতীয়খন অম্ৰাৱতী লংকা । বিশ্বকৰ্মাই অতি যত্নেৰে সেই নগৰখন নিৰ্মাণ কৰি থৈছে । লংকাৰ চাৰিওফালে সোণৰ গঁড় আৰু প্ৰাচীৰ । সুউচ্চ প্ৰাচীৰবোৰ সোণ মুকুটাৰে উজলি আছে

। সমগ্ৰ লংকাখন সুবিস্তীৰ্ণ । চাৰিওফালে আৱৰি থকা গড়বোৰত বিভিন্ন যন্ত্ৰ সজাই থোৱা আছে । দেবাসুৰ কাৰোৱে সেই গঁড় পাৰ হৈ নগৰৰ ভিতৰত প্ৰৱেশ কৰাৰ সাধ্য নাই।

(খ) সুৰক্ষিত লংকা নগৰী দেখি হনুমন্তৰ মনলৈ কেনে ধৰণৰ চিন্তা আহিছিল ?

উত্তৰঃ লংকা নগৰী অতি দুৰ্গম । সমগ্ৰ নগৰখন ওখ ওখ গঁড় আৰু প্ৰাচীৰেৰে পৰিবেষ্টিত । নগৰৰ চাৰিওফালে থকা সুউচ্চ গড়বোৰত বিভিন্ন যন্ত্ৰ এনেদৰে ৰখা হৈছে যে দেৱাসুৰ কাৰো নগৰৰ ভিতৰত প্ৰৱেশ কৰাৰ সাধ্য নাই । সেই সুৰক্ষিত লংকা দেখি সীতাৰ অন্বেষনত যোৱা বানৰ বীৰ হনুমান চিন্তিত হ'ল । তেওঁ মনতে শুনিলে যে তেওঁৰে সৈতে অংগদ, সুগ্ৰীৱ আৰু নিলে সাগৰৰ পাৰ হৈ যাব পাৰিব । কিন্তু আন আন বান্দৰ সেনা শতেক যোজনৰ সাগৰ পাৰ হৈ লংকালৈ কেনেকৈ যাব । বান্দৰবিলাকে তালৈ গৈনো কি কৰিব পাৰিব ? দাশৰথী ৰামে লংকালৈ গৈ কিবা কৰিব পাৰিবনে নাই সেই বিষয়েও তেওঁৰ চিন্তা হ'ল । তথাপি ৰাম -লক্ষ্মণ অশেষ প্ৰভাৱৰ কথা মনত পেলাই হনুমানৰ মনে কিছু প্ৰবোধ মানিলে ।

(গ) সুবেল শৃংগত বহি হনুমন্তই কি ভাবিছিল ?

উত্তৰঃ শতেক যোজন দূৰত্বৰ সাগৰ পাৰ হৈ লংকাৰ ওচৰত সুবেল শৃংগত উপস্থিত হৈ বীৰ হনুমানে ভাবিলে যে অপ্ৰসাৰে তেওঁ সাগৰ পাৰ হ'ল আৰু তেওঁ শৰীৰৰো সম্পূৰ্ণ সুস্থ হৈয়েই ৰ'ল । সাগৰ পাৰ হৈ অহাটো অহংকাৰ কৰিবলগীয়া বিষয় নহয় । আৰু কোটি যোজন অতিক্ৰম কৰাৰো সাহ তেওঁ মনত অনুভৱ কৰিলে । শত যোজনৰ সাগৰ পাৰ হৈ আহি তেওঁ কোনো বিশেষ কাম কৰা নাই । তেওঁ যি কৰিলে নিচেই সামান্য,যিটো আনৰ আগত কোৱাটো লজ্জাজনক । এইদৰে সাগৰ পাৰ হৈও কিঞ্চিতো শংকিত নহৈ বীৰ হনুমানে সুবেল সংগল বহি লংকালৈ চালে ।

## **ভাষা বিষয়ক :**

১/ তলৰ শব্দবোৰৰ আধুনিক ৰূপ লিখা ।

কষ্টকি,ছাতিয়াল,তহিতে,দেখিলন্ত।

| | | | |
|---|---|---|---|
| উত্তৰঃ | কষ্টকি | - | কাঁইটীয়া গছ |
| | ছাতিয়াল | - | ছতিয়না গছ |
| | তহিতে | - | তাত |
| | দেখিলন্ত | - | দেখিলে |

২/ সমাৰ্থক শব্দ লিখা ।

| | | | |
|---|---|---|---|
| উত্তৰঃ | গগন | - | আকাশ |
| | বিৰাল | - | মেকুৰী |

| | | |
|---|---|---|
| গঁড় | - | দুর্গ |
| সমুদ্ৰ | - | সাগৰ |
| পৱন | - | বতাহ |